# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 30-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গেমিং কাৰ্টুন, চলচ্চিত্ৰ নিৰ্মাণ তথা আন কেতবোৰ উদ্ভাৱনীমূলক খণ্ডত বৰ্ধিত সা-সুবিধা তথা নিয়োগৰ দ্ৰুগতিত পৰিৱৰ্তিত প্ৰকাৰ সন্দৰ্ভত আলোকপাত কৰিছে।

২। চলিত বৰ্ষৰ ছেপ্তেম্বৰ পৰ্যন্ত ভাৰতৰ ইকুৱিটী বজাৰত বিদেশী বিনিয়োগকাৰীয়ে ৫৭ হাজাৰ কোটিৰো অধিক টকা বিনিয়োগ কৰিছে।

৩। জামাইকাৰ প্ৰধানমন্ত্ৰী ড° এনড্ৰিউ হলনেছ চাৰিদিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতলৈ আহিব।

৪। জম্মু-কাশ্মীৰৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

*আৰু*

৫। ব্ৰুনেইৰ বন্দৰ চেৰী বেগাৱনত অনুষ্ঠিত বিশ্ব জুনিয়ৰ উশ্বু চেম্পিয়নশ্বিপত ভাৰতে দুটা সোণৰ পদককে ধৰি মুঠ ৭টা পদক অৰ্জন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গেমিং কাৰ্টুন চলচ্চিত্ৰ নিৰ্মাণ তথা আন কেতবোৰ উদ্ভাৱনীমূলক খণ্ডত বৰ্ধিত সা-সুবিধা তথা নিয়োগৰ দ্ৰুগতিত পৰিৱৰ্তিত প্ৰকাৰ সন্দৰ্ভত আলোকপাত কৰিছে। কালি আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতৰ উদ্ভাৱনীমূলক প্ৰতিভাৰ অপাৰ সম্ভাৱনা সম্পৰ্কে উল্লেখ কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে আয়োজন কৰা ক্ৰিয়েট ইন ইণ্ডিয়া বিষয়বস্তু আধাৰিত ২৫টা প্ৰত্যাহ্বানত অংশগ্ৰহণ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। শ্ৰীমোদীয়ে আগ্ৰহী ব্যক্তিসকলক এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে wavesindia.org ৱেবছাইট চাবলৈ আহ্বান জনায়।

ইয়াৰ পূৰ্বে যোৱা ২২ আগষ্টত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে নতুন দিল্লীত ক্ৰিয়েট ইন ইণ্ডিয়া চেলেঞ্জ শীৰ্ষক প্ৰতিযোগিতাৰ প্ৰথম সংস্কৰণ মুকলি কৰে। এই প্ৰতিযোগিতাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **ভাৰতত প্ৰস্তুত হোৱা শৈলীসমূহ বিশ্বৰ বাবে** ভাৰধাৰৰ সৈতে সংগতি ৰাখি আয়োজিত সমাগত বিশ্ব দৃশ্য-শ্ৰব্য আৰু মনোৰঞ্জন শীৰ্ষ সন্মিলন- WAVEৰ পূৰ্বাভাষ দিব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ভাৰতৰ সামাজিক মাধ্যম আৰু মনোৰঞ্জন উদ্যোগক ত্বৰান্বিত কৰা তথা ক্ৰিয়েটৰ অৰ্থনীতিৰ প্ৰগতিৰ বাবে অহা বছৰ ৫ ফেব্ৰুৱাৰীৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব।

০০০০০

চলিত মাহ পৰ্যন্ত ভাৰতৰ ইকুৱিটী বজাৰত বিদেশী বিনিয়োগকাৰীয়ে ৫৭ হাজাৰ কোটিৰো অধিক টকা বিনিয়োগ কৰিছে। তথ্য অনুসৰি বিদেশী প'ৰ্টফলিঅ' বিনিয়োগকাৰী -FPI-য়ে ইকুৱিটী বজাৰত ৫৭ হাজাৰ ৩৫৯ কোটি টকা বিনিযোগ কৰিছে আৰু ই হৈছে বিগত ৯ মাহৰ ভিতৰত সৰ্বোচ্চ বিনিয়োগ। তেওঁলোকে  লগতে ঋণ বজাৰত ৮৭৭ কোটি টকা বিনিয়োগ কৰিছে আৰু ইয়াৰ জৰিয়তে চলিত মাহত ভাৰতীয় মূলধনী বজাৰত মুঠ বিনিয়োগৰ পৰিমাণ ৫৮ হাজাৰ ২৩৬ কোটি টকা হৈছে। চলিত বৰ্ষত এতিয়ালৈকে বিদেশী বিনিয়োগকাৰীসকলে ভাৰতীয় মূলধনী বজাৰত মুঠ ২ লাখ ১০ হাজাৰ কোটিৰো অধিক টকা বিনিয়োগ কৰিছে। ইয়াৰে ভিতৰত ইকুৱিটী বজাৰত ১ লাখ ২৪৫ কোটি টকা বিনিয়োগ কৰাৰ বিপৰীতে ঋণ বজাৰত কৰা বিনিয়োগৰ পৰিমাণ হৈছে ১ লাখ ৯ হাজাৰ ২৮৫ কোটি টকা।

ooooo

জামাইকাৰ প্ৰধানমন্ত্ৰী ড° এনড্ৰিউ হলনেছ চাৰিদিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতলৈ আহিব। এয়া হ'ব তেওঁৰ প্ৰথমটো ভাৰত ভ্ৰমণ তথা আৰু জামাইকাৰ কোনো এগৰাকী প্ৰধানমন্ত্ৰীৰ ভাৰতলৈ প্ৰথম দ্বিপাক্ষিক ভ্ৰমণ। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জামাইকাৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে বিভিন্ন বহুপাক্ষিক বৈঠকৰ সুযোগত কেইবাবাৰো মিলিত হৈছিল।

এই ভ্ৰমণৰ সময়ত ড° হলনেছে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হোৱাৰ লগতে ৰাষ্ট্ৰপতি আৰু উপ ৰাষ্ট্ৰপতিকো সাক্ষাৎ কৰিব। এই ভ্ৰমণে ড° হলনেছক ভাৰতৰ অন্যান্য বিশিষ্ট ব্যক্তি তথা উদ্যোগ আৰু বাণিজ্য ক্ষেত্ৰৰ নেতাসকলৰ সৈতে মত বিনিময় কৰাৰ সুযোগ প্ৰদান কৰিব। এই ভ্ৰমণৰ সময়ত দ্বিপাক্ষিক সহযোগিতাৰ ক্ষেত্ৰত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। তেওঁৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক উন্নীত কৰাৰ লগতে অৰ্থনৈতিক সহযোগিতা অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ স্বাস্থ্যৰ বুজ লোৱা বুলি প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, জম্মু-কাশ্মীৰৰ কঠুৱা জিলাত এখন নিৰ্বাচনী ৰেলীত অংশগ্ৰহণ কৰি থকাৰ সময়ত শ্ৰীখাৰ্গে অসুস্থ হৈ পৰিছিল। ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ অন্তিম দিনা আয়োজিত এখন নিৰ্বাচনী ৰেলীত সমবেত জনতাক সম্বোধন কৰি থকাৰ সময়ত মঞ্চত তেওঁ অসুস্থ হৈ পৰে। সভাৰ অন্তত অসুস্থতাৰ কাৰণ জানিবলৈ কংগ্ৰেছৰ সভাপতিগৰাকীৰ প্ৰাথমিক স্বাস্থ্যজনিত পৰীক্ষা কিছুমান সম্পন্ন কৰা হয়।

ooooo

তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰক ৰাজ্যখনৰ মাছমৰীয়াসকলক শ্ৰীলংকাৰ কৰ্তৃপক্ষৰ হাতত গ্ৰেপ্তাৰ হোৱাৰ পৰা ৰক্ষা কৰা তথা ইতিমধ্যে গ্ৰেপ্তাৰ হৈ থকা মাছমৰীয়াসকলক তেওঁলোকৰ মাছ মৰা নাওসহ মুকলি কৰি দিয়াৰ বাবে শক্তিশালী আৰু সক্ৰিয় কূটনৈতিক ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনাইছে। মন্ত্ৰীগৰাকীলৈ লিখা এখন পত্ৰত তেওঁ শ্ৰীলংকাৰ নৌবাহিনীয়ে কালি নেডুনথীভুৰ সমীপত নিৰ্দিষ্ট পঞ্জীয়ন নম্বৰ থকা দুখন নাওসহ ১৭ গৰাকী মাছমৰীয়াক গ্ৰেপ্তাৰ কৰাৰ বিষয়টো উল্লেখ কৰে। তেওঁ লগতে কয় যে, পৰহি ৰামেশ্বৰমৰ মৎস্য কেন্দ্ৰ এটাৰ পৰা মাছমৰীয়া কেইগৰাকী  মৎস্য চিকাৰলৈ ওলাইছিল।

মাছমৰীয়াসকলৰ গ্ৰেপ্তাৰ তথা তেওঁলোকৰ নাওসমূহ জব্দ কৰা কাৰ্যই উপকূলীয় সম্প্ৰদায়সমূহৰ মাজত গুৰুতৰ পৰিস্থিতি তথা অনিশ্চয়তাৰ সৃষ্টি কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে দোহাৰে। তেওঁ কয় যে, শ্ৰীলংকা কৰ্তৃপক্ষৰ পৰা ইতিমধ্যে গ্ৰেপ্তাৰ হোৱা মাছমৰীয়াসকল তথা তেওঁলোকৰ নাওসমূহ শীঘ্ৰেই মুকলি কৰাটো সুনিশ্চিত কৰা আৰু তেওঁলোকক ভৱিষ্যতে গ্ৰেপ্তাৰ হোৱাৰ পৰা বচাই ৰাখিবলৈ শক্তিশালী আৰু সক্ৰিয় কূটনৈতিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এখন স্মাৰক পত্ৰও প্ৰদান কৰা হৈছে।

ooooo

জম্মু-কাশ্মীৰৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। নিৰ্বাচন শান্তিপূৰ্ণভাৱে তথা সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে ব্যাপক নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই পৰ্যায়ৰ নিৰ্বাচনত অঞ্চলটো ৭ খন জিলাৰ ৪০টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই ৪০ খন বিধানসভা আসনৰ ভিতৰত ১৬ খন কাশ্মীৰৰ আৰু ২৪ খন জম্মুৰ। কালি এই পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰে। এই পৰ্যায়ত ৩৯ লাখ ১০ হাজাৰতকৈও অধিক ভোটদাতাই ৪১৫ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ভোটগ্ৰহণ পুৱা ৭ বজাত আৰম্ভ হৈ সন্ধিয়া ৬ বজাত অন্ত পৰিব।

উল্লেখযোগ্য যে, জম্মু-কাশ্মীৰত তিনিটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছে। ইয়াৰে প্ৰথম পৰ্যায়ত ভোটদানৰ হাৰ ৬১ শতাংশ হোৱাৰ বিপৰীতে দ্বিতীয় পৰ্যায়ত ভোটদানৰ হাৰ আছিল ৫৬ শতাংশ। অহা ৮ অক্টোবৰত হাৰিয়ানাৰ সৈতে জম্মু-কাশ্মীৰৰো ভোটগণনা কৰা হ'ব।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি কয় যে, পাকিস্তানে নতুন দিল্লীৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰখা হ'লে ভাৰতে চুবুৰীয়া ৰাষ্ট্ৰখনক আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ পৰা ইছলামাবাদে বিছৰাতকৈও বৃহৎ আৰ্থিক সাহায্য প্ৰদান কৰিলেহেঁতেন। কাশ্মীৰৰ বান্দিপোৰা জিলাৰ গুৰেজ বিধানসভা সমষ্টিত আয়োজিত এটা নিৰ্বাচন ৰেলীত অংশগ্ৰহণ কৰি শ্ৰীসিঙে ২০১৪-১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ বাবে আগবঢ়োৱা উন্নয়নমূলক আৰ্থিক সাহায্যৰ বিষয়ে উল্লেখ কৰে। তেওঁ বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰত উল্লেখ থকা প্ৰতিশ্ৰুতিসমূহ দোহাৰে। নিৰ্বাচনত বিজেপি প্ৰাৰ্থী ফকীৰ মহম্মদ খান জয়ী হ'লে গুৰেজৰ পৰা অধিক সংখ্যক লোকক ভাৰতীয় সেনা বাহিনীত মকৰল কৰা হ'ব বুলি প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে তেওঁ আশ্বাস দিয়ে।

ooooo

ইজৰাইল আৰু হিজবুল্লাহৰ মাজৰ সংঘৰ্ষৰ ফলত প্ৰভাৱিত ১০ লাখ লোকলৈ খাদ্য সাহায্য প্ৰদানৰ উদ্দেশ্যে বিশ্ব খাদ্য কাৰ্যসূচী-WFP-য়ে এটা জৰুৰীকালীন অভিযান আৰম্ভ কৰিছে। WFP-য়ে প্ৰকাশ কৰা এখন বিজ্ঞপ্তিত এই বুলি কোৱা হৈছে যে, সংস্থাটোৱে দেশখনৰ আশ্ৰয় শিবিৰসমূহত থকা লোকসকলৰ বাবে ৰেডী টু ইট খাদ্য সামগ্ৰী বিতৰণ কৰিছে। এই সপ্তাহৰ শেষৰ পিনে সংঘৰ্ষজনিত পৰিস্থিতি অধিক বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত দেশখনলৈ জৰুৰীকালীন মানৱীয় সঁহাৰিৰ প্ৰয়োজন আহি পৰিছে বুলি WFP-য়ে প্ৰকাশ কৰিছে। এই জটিল অভিযান অব্যাহত ৰখাৰ বাবে সংস্থাটোক চলিত বৰ্ষৰ শেষলৈকে তৎকালীনভাৱে এহেজাৰ ৫০ লাখ ডলাৰৰ প্ৰয়োজন হ'ব বুলিও সংস্থাটোৱে লগতে প্ৰকাশ কৰিছে।

ooooo

উচ্চতম ন্যায়ালয়ে কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত এগৰাকী কনিষ্ঠ চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ নিজাববীয়া গোচৰৰ আজি শুনানি গ্ৰহণ কৰিব। উচ্চতম ন্যায়ালয়ৰ ৱেবছাইটত প্ৰকাশ পোৱা অনুসৰি মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত তিনিজনীয়া বিচাৰপীঠে আজি গোচৰটোৰ শুনানি গ্ৰহণ কৰিব। ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু মনোজ মিশ্ৰৰে গঠিত বিচাৰপীঠে বিগত সপ্তাহত পশ্চিমবংগ চৰকাৰৰ অনুৰোধমৰ্মে গোচৰটোৰ শুনানি ২৭ ছেপ্তেম্বৰত স্থগিত ৰাখিছিল। ইয়াৰ পূৰ্বে উচ্চতম ন্যায়ালয়ে মহিলা চিকিৎসকসকলক নিশাৰ ভাগত কৰ্তব্যত মোতায়েন নকৰিবলৈ ৰাজ্য চৰকাৰে দিয়া নিৰ্দেশ সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰিছিল। উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপৰ পাছত পশ্চিমবংগ চৰকাৰে লিংগ সমতাৰ সাংবিধানিক নীতি সন্দৰ্ভত প্ৰশ্ন উত্থাপিত হ'ব পৰা কোনো নিয়ম বলৱৎ কৰা নহ'ব বুলি সুনিশ্চিত কৰে। ঘটনাটোৰ নিজাববীয়া গোচৰ গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে দেশজুৰি চিকিৎসকসকলৰ নিৰাপত্তা সন্দৰ্ভত উদ্বিগ্নতা সৃষ্টি এই ঘটনাক পাশৱিক আখ্যা দিয়ে। তদুপৰি উচ্চতম ন্যায়ালয়ে চিকিৎসক সকলৰ নিৰাপত্তাক অগ্ৰাধিকাৰ দি দেশজুৰি চিকিৎসা বৃত্তিত জড়িত লোকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যে নেচনেল টাস্ক ফ'ৰ্চ গঠন কৰিবলৈ নিৰ্দেশ দিয়ে।

ooooo

ব্ৰুনেইৰ বন্দৰ চেৰী বেগাৱনত অনুষ্ঠিত বিশ্ব জুনিয়ৰ উশ্বু চেম্পিয়নশ্বিপত ভাৰতীয় দলটোৱে দুটা সোণৰ পদককে ধৰি মুঠ ৭টা পদক অৰ্জন কৰিছে। এই প্ৰতিযোগিতাত ভাৰতে দুটা সোণ, এটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ভাৰতৰ আৰ্য়ানে ল'ৰাৰ গ্ৰুপ জুনিয়ৰৰ ৪৮ কিলোগ্ৰাম ওজন শাখাত চীনৰ গং হুৱানৰণক পৰাজিত কৰি সোণৰ পদক অৰ্জন কৰে। ল'ৰাৰ ৪৮ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ সূৰ্যই ইৰানৰ প্ৰতিদ্বন্দ্বী অলিৰেজা জমানিক হৰুৱাই দ্বিতীয়টো সোণৰ পদক অৰ্জন কৰে। আনহাতে, নাং মিংবি বৰফুকনে ৰূপৰ পদক অৰ্জন কৰে। ইপিনে, ৫৬ কিলোগ্ৰাম ওজন শাখাত তানিশ্ব নাগৰ, ৬০ কিলোগ্ৰাম ওজন শাখাত দিব্যাংশী আৰু ৪২ কিলোগ্ৰাম ওজন শাখাত যুৱৰাজে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাত ভাৰতৰ ২৪ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল।

ooooo

**সমাপ্ত**